# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ ত্ৰিদেশীয় ভ্ৰমণ হৈছে বন্ধু ৰাষ্ট্ৰ কেইখনক ভাৰতৰ সন্ত্ৰাসবিৰোধী যুদ্ধখনলৈ আগবঢ়োৱা সমৰ্থনৰ বাবে ধন্যবাদ জনোৱাৰ এটা সুযোগ।

২। উত্তৰাখণ্ডৰ কেদাৰনাথ এলেকাৰ গৌৰীকুণ্ড খাৰ্কৰ পাৰ্বত্য অঞ্চলত আজি পুৱা এখন হেলিকপ্তাৰ ধবংসপ্ৰাপ্ত হয়।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰক জোকাই নলবলৈ দেশখনৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানক সতৰ্ক কৰি দিছে।

৪। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোৱে আজি উত্তৰ প্ৰদেশৰ কুশিনগৰত এটা ৰকেট উৎক্ষেপনৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। *আৰু*

৫। উত্তৰ মেচিডনীয়াত চলি থকা WTT কণ্টেনদাৰ স্কো'পজে ২০২৫ টেবল টেনিছ প্ৰতিযোগিতাত ভাৰতৰ মানৱ থক্কৰ আৰু মনোজ শ্বাহ পুৰুষৰ ডাবলছ শিতানত ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ ত্ৰিদেশীয় ভ্ৰমণ হৈছে বন্ধু ৰাষ্ট্ৰ কেইখনক ভাৰতৰ সন্ত্ৰাসবিৰোধী যুদ্ধখনলৈ আগবঢ়োৱা সমৰ্থনৰ বাবে ধন্যবাদ জনোৱাৰ এটা সুযোগ। তেওঁ লগতে কয়, যে এই ভ্ৰমণে সকলো ধৰণৰ সন্ত্ৰাসবাদক উৎখাত কৰাৰ বাবে বিশ্বত সজাগতা সৃষ্টিত সহায় কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি চাইপ্ৰাছ, কানাডা আৰু ক্ৰয়েছিয়া ভ্ৰমণৰ বাবে ৰাওনা হয়। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত তেওঁ চাইপ্ৰাছত উপস্থিত হ'ব। আজি পুৱা চাইপ্ৰাছ অভিমুখে নতুন দিল্লী এৰাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁৰ এই ভ্ৰমণে চাইপ্ৰাছৰ সৈতে থকা ভাৰতৰ ঐতিহাসিক সম্বন্ধ শক্তিশালী কৰাৰ সুবিধা দিব। এই ভ্ৰমণে দেশখনৰ সৈতে বাণিজ্য, বিনিয়োগ, নিৰাপত্তা, প্ৰযুক্তি আৰু জনসংযোগৰ দৰে বিষয়ত সম্বন্ধ সম্প্ৰসাৰিত কৰিব বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। চাইপ্ৰাছক ভাৰতৰ ঘনিষ্ঠ বন্ধু হিচাপে অভিহিত কৰি তেওঁ কয়, যে চাইপ্ৰাছ ভূমধ্য সাগৰীয় অঞ্চল আৰু ইউৰোপীয় সংঘৰ গুৰুত্বপূৰ্ণ অংশীদাৰ।

প্ৰধানমন্ত্ৰীয়ে কয়, যে কানাডাত হবলগীয়া জি ছেভেন সন্মিলনে বিভিন্ন গোলকীয় বিষয় আৰু গ্লোবেল ছাউথৰ সমস্যাৱলীৰ ক্ষেত্ৰত মত বিনিময়ৰ সুযোগ দিব। শ্ৰীমোদীয়ে ভাৰত আৰু ক্ৰয়েচিয়াৰ মাজত থকা শতিকা পুৰণি সাংস্কৃতিক সম্বন্ধতো আলোকপাত কৰে। তেওঁ কয়, যে তেঁওৰ ক্ৰয়েছিয়া ভ্ৰমণে দুয়োখন দেশৰ মাজত উমৈহতীয়া স্বাৰ্থজড়িত বিষয়ত দ্বিপাক্ষিক সহযোগিতাৰ নতুন দুৱাৰ মুকলি কৰিব।

চাইপ্ৰাছ ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি নিকোজ খ্ৰিষ্ট'ড'লিডেছক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই বাণিজ্য, বিনিয়োগ, শিক্ষা, সাগৰীয় সহযোগিতা, ডিজিটেল যোগাযোগ আৰু আঞ্চলিক সুৰক্ষাকে ধৰি বিভিন্ন বিষয়ৰ বিস্তৃত আলোচনাত মিলিত হোৱাৰ আশা আছে।

চাইপ্ৰাছত থকা ভাৰতৰ উচ্চায়ুক্ত মনিশে আকাশবাণীক জনাই যে, প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক নতুন গতি আৰু শক্তি দিব। তেওঁ কয় যে, ভাৰত আৰু চাইপ্ৰাছ, বাণিজ্য আৰু নৌপথেৰে ঐতিহাসিকভাৱে যুক্ত হৈ আছে। তেওঁ কয়, যে চাইপ্ৰাছৰ ২০৩৫ চনৰ বাবে ৰাষ্ট্ৰীয় দৃষ্টিভংগী আছে আৰু ভাৰত ২০৪৭ চনৰ বিকশিত ভাৰতৰ পিনে ধাৱমান হৈ আছে।

০০০০

উত্তৰাখণ্ডৰ কেদাৰনাথ এলেকাৰ গৌৰীকুণ্ড খাৰ্কৰ পাৰ্বত্য অঞ্চলত আজি পুৱা এখন হেলিকপ্তাৰ ধ্বংসপ্ৰাপ্ত হয়। এই দুৰ্ঘটনাত এজন পাইলট আৰু ছগৰাকী তীৰ্থযাত্ৰীসহ মুঠ ৭ গৰাকী লোকৰ মৃত্যু হয়। হেলিকপ্তাৰখন কেদাৰনাথৰ পৰা গুপ্তকাশী অভিমুখে আহি আছিল। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে উদ্ধাৰকাৰী বাহিনী ঘটনাস্থলীত উপস্থিত হয় আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰে। এছ ডি আৰ এফে প্ৰকাশ কৰা অনুসৰি হেলিকপ্তাৰখন সম্পূৰ্ণৰূপে জ্বলি ছাৰখাৰ হয় আৰু আটাইকেইটা মৃতদেহ উদ্ধাৰ কৰা হয়। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীয়ে এই শোকাবহ ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। বিমান দুৰ্ঘটনা তদন্ত ব্যুৰ'য়ে এই ঘটনাৰ তদন্ত কৰিব। অসামৰিক বিমান পৰিবহনৰ সঞ্চালক প্ৰধানে কয়, যে দুৰ্ঘটনাগ্ৰস্ত হেলিকপ্তাৰখনে গুপ্তকাশী অভিমুখে আজি পুৱা কেদাৰনাথৰ পৰা যাত্ৰা কৰিছিল আৰু গৌৰীকুণ্ডৰ ওচৰত ধ্বংসপ্ৰাপ্ত হয়। এই দুৰ্ঘটনাৰ পাছতে অসামৰিক বিমান পৰিবহনৰ সঞ্চালক প্ৰধানে চাৰধামলৈ তীৰ্থযাত্ৰী অনা নিয়া কৰা হেলিকপ্তাৰৰ সংখ্যা হ্ৰাস কৰিছে। আনহাতে, মুখ্যমন্ত্ৰী ধামীয়ে দুদিনৰ বাবে হেলিকপ্তাৰ সেৱা বন্ধ ৰখাৰ নিৰ্দেশ দিছে। তেঁও কয় যে যাত্ৰীৰ সুৰক্ষা আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সেয়ে দুৰ্ঘটনাৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত হেলিকপ্তাৰ সেৱা পুনৰ আৰম্ভ কৰা হ'ব।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰক জোকাই নলবলৈ দেশখনৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানক সতৰ্ক কৰি দিছে। তেওঁ কয়, যে ইৰানে যদিহে আমেৰিকা যুক্তৰাষ্ট্ৰক আক্ৰমণৰ চেষ্টা কৰে, তেন্তে পূৰ্বতে নেদেখা পৰ্যায়ত সম্পূৰ্ণ শক্তিৰে ইৰানত আমেৰিকাৰ সশস্ত্ৰ বাহিনীক নিয়োগ কৰা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে উল্লেখ কৰে যে, ইজৰাইলে ইৰানত কৰা আক্ৰমনত আমেৰিকা যুক্তৰাষ্ট্ৰ কোনো প্ৰকাৰে জড়িত নহয় আৰু সেয়ে আমেৰিকা যুক্তৰাষ্ট্ৰক ইৰানে কৰা কোনো আক্ৰমনকে সহ্য কৰা নহ'ব। তেওঁ লগতে দাবী কৰে যে, ইৰান আৰু ইজৰাইলৰ মাজত শান্তি স্থাপনৰ বাবে তেঁও অতি সহজেই দুয়োখন দেশৰ মাজত চুক্তি কৰাব পাৰে।

০০০০

ইৰান আৰু ইজৰাইলৰ প্ৰত্যক্ষ সংঘাতত আজি ইৰানৰ আক্ৰমনত ইজৰাইলৰ ১০ গৰাকী লোকৰ মৃত্যু হয়। ইৰানে আজি তেহৰানৰ এটা তেল ডিপোত আক্ৰমন চলায়। দুয়োখন দেশৰ সামৰিক সংঘাটে ৩ দিনত ভৰি দিছে। দুয়োখন দেশৰ চৰকাৰে পৰস্পৰৰ বিৰুদ্ধে আক্ৰমন তীব্ৰ কৰাৰ হুংকাৰ দিছে। এই কথাই স্বাভাৱিকতে মৃত্যুৰ সংখ্যা বৃদ্ধি কৰাৰ উপৰি আঞ্চলিক অস্থিৰতা অধিক হোৱাত অৰিহনা যোগাইছে। ইৰানৰ ৰকেট আক্ৰমনত আজি ইজৰাইলৰ বিস্তৰ ক্ষতি হয়। শুকুৰবাৰৰ পৰা ইৰানে চলোৱা আক্ৰমনত ৩০০ ৰো অধিক ইজৰাইলী লোক আহত

হৈ চিকিৎসাধীন হবলগীয়া হৈছে। ইজৰাইলৰ বহু মহানগৰত এতিয়া বিমান আক্ৰমনৰ সংকেতধ্বনি শুনিবলৈ পোৱা গৈছে।

ইজৰাইলৰ বেট য়াম নামৰ উপকূলীয় মহানগৰখনত ইৰানৰ ক্ষেপনাস্ত্ৰই আঘাত হনাত ছজন লোকৰ মৃত্যু হয়। তাম্ৰা মহানগৰতো ইৰানৰ আক্ৰমনত ৪ জন লোক নিহত হয়। সমান্তৰালভাৱে ইৰানৰ ৰাজধানী তেহৰানত ইজৰাইলে চলোৱা আক্ৰমনৰ পাছত বৃহৎ অগ্নিকাণ্ডৰ সূচনা হয়। য়েমেনৰ ইৰান সমৰ্থিত হুথি সন্ত্ৰাসবাদী গোটে দাবী কৰা অনুসৰি তেঁওলোকে ইজৰাইলৰ বিভিন্ন স্থানত চলোৱা আক্ৰমনত তেহৰানক সহযোগ কৰিছে। ইৰানৰ বৈদেশিক মন্ত্ৰী আববাছ আৰাঘেছিয়ে তেহৰানত কয় যে যদিহে ইজৰাইলে তীব্ৰ কৰে তেন্তে তাৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব।

০০০০

ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোৱে আজি উত্তৰ প্ৰদেশৰ কুশিনগৰত এটা ৰকেট উৎক্ষেপনৰ পৰীক্ষা সফলতাৰে  সম্পন্ন কৰে। পোনপ্ৰথমবাৰৰ বাবে উত্তৰ প্ৰদেশৰ পৰা এটা ক্ষুদ্ৰ উপগ্ৰহ ৰকেটৰ জৰিয়তে উৎক্ষেপন কৰা হয়। ৰাজ্যখনৰ বাবে ই এটা ঐতিহাসিক মুহুৰ্ত হিচাপে পৰিগণিত হৈছে। ইছৰোৰ বিজ্ঞানী অভিষেক সিঙে থ্ৰাষ্ট টেক ইণ্ডিয়া লিমিটেডৰ সহযোগত এই পৰীক্ষা সম্পন্ন কৰা হয় বুলি জানিবলৈ দিয়ে।

০০০০

আহমেদাবাদ বিমান দুৰ্ঘটনাত প্ৰাণ হানি হোৱা ৩১ গৰাকী লোকৰ ডি এন এ মিলাব পৰা গৈছে। এতিয়ালৈকে ১২ গৰাকী লোকৰ মৃতদেহ পৰিয়ালক গটাই দিয়া হৈছে। আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ অতিৰিক্ত অধীক্ষক ডঃ ৰাজনীশ পেটেলে জনোৱা মতে, ডি এন এ পৰীক্ষা সম্পন্ন হোৱা মৃতদেহবিলাক পৰিয়ালৰ লোকক গটাই দি থকা হৈছে। প্ৰতিটো পৰিয়ালৰে মৃত লোকসকলৰ বাবে একোটাকৈ বিশেষ দল গঠন কৰি দিয়া হৈছে বুলি তেওঁ জনায়। এই দলসমূহ এজন জ্যেষ্ঠ বিষয়া, এজন আৰক্ষী আৰু বৃত্তিমূলক পৰামৰ্শদাতাক লৈ গঠন কৰা হৈছে। ডঃ পেটেলে জনোৱা অনুসৰি প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিজয় ৰূপানিৰ মৃতদেহ চিনাক্তকৰণৰ প্ৰক্ৰিয়া এতিয়াও অব্যাহত আছে। এতিয়ালৈকে তেওঁৰ ডি এন এ মিলাব পৰা হোৱা নাই বুলি অধীক্ষকগৰাকীয়ে জনায়।

০০০০

কৈলাশ মানসৰোবৰ যাত্ৰালৈ যাবলগীয়া তীৰ্থযাত্ৰীৰ প্ৰথমটো দল আজি ছিকিমৰ গেংটকত উপস্থিত হ'ব। ছিকিম চৰকাৰে তীৰ্থ যাত্ৰীসকলক আদৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এইবাৰ পাঁচ বছৰৰ বিৰতিত অহা ২০ জুনত কৈলাশ মানসৰোবৰ যাত্ৰা আৰম্ভ হ'ব। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত পৰ্যটন আৰু অসামৰিক বিমান পৰিবহন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ছি এছ ৰাৱে প্ৰকাশ কৰা মতে চৰকাৰী বিষয়াকে ধৰি মুঠ ৩৫ গৰাকী যাত্ৰীৰ প্ৰথমটো দল আজি গেংটকত উপস্থিত হ'ব। ২০ জুনত ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে নাথুলাত পতাকা জোকাৰি এই যাত্ৰাৰ শুভাৰম্ভ কৰিব। প্ৰতিটো তীৰ্থযাত্ৰীৰ দলে ১১ৰ পৰা ১২ দিনৰ ভিতৰত যাত্ৰা সম্পূৰ্ণ কৰিব। এইবাৰ মুঠ ১০টা দলে নাথুলা হৈ কৈলাশ মানসৰোবৰ যাত্ৰা কৰিব।

০০০০

ভাৰতীয় মহাকাষচাৰী সুভাংশু শুক্লাক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ কঢ়িয়াই নিবলগীয়া বহু প্ৰত্যাশিত এক্সিয়োম-ফ'ৰ অভিযানৰ  বাবে নতুনকৈ ১৯ জুনৰ দিনটোক নিৰ্ধাৰণ কৰা হৈছে। এই অভিযানত বিলম্ব ঘটোৱা

কাৰিকৰী সমস্যাসমূহ ইতিমধ্যে সমাধান কৰা হৈছে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ্‌ৰো, এক্সিয়োম স্পেছ আৰু স্পেছ্ এক্সৰ মাজত অনুষ্ঠিত বৈঠকত **ফেলকন-নাইন** নামৰ উৎক্ষেপন যানখনত দেখা দিয়া তৰল অক্সিজেন নিৰ্গমনৰ সমস্যা ইতিমধ্যে সমাধান কৰা হৈছে বুলি নিশ্চিত কৰা হৈছে। উৎক্ষেপনৰ পূৰ্বে নিয়মীয়া নিৰীক্ষণত নিৰ্গমনৰ সমস্যা ধৰা পৰিছিল আৰু ইয়াৰ বাবে ১১ জুনত উৎক্ষেপন স্থগিত ৰখা হৈছিল। এই অভিযান ভাৰতৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। অভিযান সফল হ'লে সুভাংশু শুক্লা আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমগৰাকী আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা ৰাকেশ শৰ্মাৰ পাছত দ্বিতীয়গৰাকী ভাৰতীয় ৰূপে পৰিগণিত হ'ব। উড়াণ সহযোগিতা সুদৃঢ় কৰাই নাছা, স্পেছএক্স আৰু ইছ্‌ৰোৰ মাজত সহযোগিতাৰে আৰম্ভ কৰা এই অভিযানৰ মূল উদ্দেশ্য। এই অভিযানক ভাৰতৰ পৰৱৰ্তী গগনযান কাৰ্যসূচীৰ বাবে গুৰুত্বপূৰ্ণ প্ৰস্তুতি ৰূপে গণ্য কৰা হৈছে।

০০০০

উত্তৰ মেচিডনীয়াত চলি থকা WTT কণ্টেনদাৰ স্কো'পজে ২০২৫ টেবল টেনিছ প্ৰতিযোগিতাত ভাৰতৰ মানৱ থক্কৰ আৰু মনোজ শ্বাহ আজি পুৰুষৰ ডাবলছ শিতানৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমিফাইনেলত তেওঁলোকে শ্লোভানিয়াৰ যুটী জৰগিক আৰু ক'জিলক ৩-১ ছেটত পৰাস্ত কৰে। আজি বিয়লি হ'বলগীয়া ফাইনেলত ভাৰতীয় যুটীটোৱে দ্বিতীয় বাচনিৰ দক্ষিন কোৰিয়াৰ লিংজনহুং আৰু অহ জুংচুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত